জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮৬১/২০২০**

## কোকৰাঝাৰ জিলাৰ মাকৰিঝোৰাত ৰাষ্ট্ৰীয় ঘাইপথত বাছ আৰু ট্ৰাকৰ মাজত সংঘটিত হোৱা শোকাৱহ দুৰ্ঘটনাত নিহত সকলৰ প্ৰতি মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৭ ডিচেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ বগৰীবাৰী আৰক্ষী থানাৰ অধীনত মাকৰিঝোৰাত ৰাষ্ট্ৰীয় ঘাইপথত আজি বাছ আৰু ট্ৰাকৰ মাজত সংঘটিত হোৱা শোকাৱহ দুৰ্ঘটনাত নিহত হোৱা সকলৰ প্ৰতি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক প্ৰেছ বিবৃতিৰ জৰিয়তে মুখ্যমন্ত্ৰীয়ে কয় যে দুৰ্ঘটনাত অকালতে প্ৰাণ হেৰুৱাব লগা ঘটনা অত্যন্ত দুৰ্ভাগ্যজনক আৰু মৰ্মান্তিক । মুখ্যমন্ত্ৰীয়ে দুৰ্ঘটনাত নিহত হোৱা ব্যক্তিসকলৰ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়াবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনক এই দুৰ্ঘটনাত আহত হোৱাসকলক উন্নত চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰী সোণোৱালে এই দুৰ্ঘটনাত আহত হোৱা ব্যক্তিসকলৰ আশু-আৰোগ্যও কমান কৰিছে।

**পুঃডেঃ**
২৭/১২/২০২০

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in